মানুহৰ চকুৰ চাৰনিয়ে
কথা কয়

দিলিপ বৰুৱা

নুহৰ চকুৰ চাৱনিয়ে কথা কয়



দিলিপ বৰুৱা

প্ৰকাশক—দিলিপ বৰুৱা
"ৰূপধন"
লাইমুখৰা, শ্বিলং

বেচ—এটকা মাত্ৰ

শ্বিলং
নৰ্থ ইষ্টাৰ্ণ প্ৰেছত ছপা কৰা হল ।

ৰূপৱতীৰ ৰূপ কথা

কিতাপখনি লেখি প্ৰথমেই বকুৱাই মোক দিয়ে চাবলৈ। সময় নথকাত মই মাত্ৰ ওপৰে ওপৰেহে চালো। নতুন লেখাৰু, নতুন ভাবে নতুন ভাবত লিখিছে। আশা কৰো তেওঁৰ লিখনিৰ পৰা আৰু বহুত পাম বুলি আশা কৰিলো। আশা কৰো এই নতুন লেখাৰুক ৰাইজে মৰমৰ চকুৰে চাব। ইতি—

শ্বিলং
২৩।৯।৬৪ ইং

ৰূপৱতী

এষাৰ কবলগীয়া

মোৰ এয়েই প্ৰথম লিখনি । ৰাইজৰ আগত উলিয়াবলৈ আৰু এখনি ৰূপহ কাহিনী "পদুম ফুলৰ পাপৰি নহয়, পাপৰি তেজেৰে গঢ়া"ত লেখি শেষ কৰিছো । যদি ৰাইজে "চকুৰ চাৱনিয়ে কথা কয়" মৰমৰ চাৱনিৰে চায়, তেতিয়া নিশ্চয় মই "মানুহৰ চকুৰ চাৱনিয়ে কথা কয়" আৰু "পদুম ফুলৰ পাপৰি নহয়, পাপৰি তেজেৰে গঢ়া" এই দুইটি ফুলৰ অপূৰ্ব্ব কাহিনী বৰ আশাৰে "দুই নাওত দুই ভৰি"ত উলিয়াবলৈ ইচ্ছা কৰিছো। কৰবাত যদি কেনেবাকৈ কোনো ব্যক্তিগত জীৱনৰ লগত খাপ খায় তেন্তে তাৰ বাবে মই দায়ী নহয় । মোক ক্ষমা কৰিব, এয়েই মোৰ ভৰষা ।

মৰমৰ শ্ৰীচক্ৰ পাঠকে ধুনীয়াকৈ মোৰ ফুল পাহিৰ পুলিটিতত সজাই দিয়াত মই তেওঁৰ ওচৰত কৃতজ্ঞ । শ্ৰদ্ধেয় শ্ৰীযুত ৰাম গোস্বামী দেৱে সদায় উদগনি দি থাকে লিখিবলৈ । তেখেতৰ ওচৰতো মোৰ কৃতজ্ঞতা থাকিল । শ্ৰীযুত ৰমেশ ফুকন আৰু শ্ৰীযুত অভয় বৰকটকীয়ে এই বিষয়ে সদায় লিখিবলৈ কোৱাত তেখেত সকলৰ ওচৰত মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছো ।

প্ৰিয় [illegible]ীক মোৰ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিলোঁ। —যাৰ [illegible] । সৰ্ব্বশেষত শ্ৰীযুত বি[illegible] অমিয়া [illegible] আৰ্থিক সাহায্যৰে কিতাপখনি ৰাইজৰ আগত উলিৱাত আন্তৰিক শ্ৰদ্ধা জনালো ।

শ্বিলং
১০ চেপ্তেম্বৰ

দিলীপ বৰুৱা

উছৰ্গা

দেশ প্ৰেমিক নিস্বাৰ্থ যুজাৰু, অসমৰ মূখ্যমন্ত্ৰী ভক্তিবৰ **শ্ৰীযুত বিমলা প্ৰসাদ চলিহা** দেৱৰ হাতত কিতাপখনি উছৰ্গা কৰিলোঁ।

দিলিপ বৰুৱা

ৰাতিপুৱা অতুল উঠিল। হাত-মুখ ধোৱা হলত, চাহ একাপ আৰু লগতে কিবা অলপ খাই অফিচলৈ বুলি ওলালে। কাৰণ তেওঁৰ অফিচ আকৌ পুৱা ৭ বজাৰ পৰা ১১ বজালৈ। আকৌ আবেলি ৩ বজাৰ পৰা ৰাতি ৭ বজালৈ। ভাবিলে অলপ আচৰিত লাগে যদিও তেওঁলোকৰ অফিচ সেই মতেই চলে। এই দৰেই দিন বিলাক পাৰ হৈ যায়। বন্ধ পালে তেওঁ সদায় ফুৰিবলৈ যায় নতুবা আন খেলা-ধূলাত তেওঁৰ বৰ মন। গতিকে তেওঁ সেই বন্ধৰ দিন বিলাক এনেয়ে নকটায়।

অতুলৰ দেহ সুঠাম। ওখই-পাখই দেখিবলৈ ভাল। কিন্তু তেওঁৰ মুখৰ চেহেৰাটো দেখি মানুহে ভাবে তেওঁ বৰ খঙাল, অন্তৰ বিহীন লোক। অতুল কৰ্মক্ষেত্ৰত আগুৱাই যায়। লাহে লাহে অফিচত প্ৰমোচন হয়। অতুল চফল ডেকা হয়। পাহাৰৰ ওপৰত উঠি কেউফালে ধুনীয়া ধুনীয়া পাহাৰৰ সেউজীয়া গছৰ পাত বিলাক আৰু জলপ্ৰপাত বিলাক চাই ভাল পায়। ৰাতিপুৱা পূবৰ বেলিটি উঠাৰ লগে লগে চৰাই বিলাকে যেতিয়া মাতে—সংসাৰ বিচিত্ৰময় মায়াৰ মোহত তেওঁৰ মন আকোৱালি নিয়ে। ভাল পায় চৰাইৰ মাত, ভাল পায় যেতিয়া জোৰ কপৌ চৰাই উৰি যায়—ভাল পায় বনৰীয়া ফুল বিলাক, ভাল পায় জীৱনৰ মৌ সনা মোহ। সংসাৰ খনেই ভাল লাগি যায়। অফিচত মানুহ আহে ভাল পায় সহায় কৰি যি লাগে তাকেই বিচাৰি দিবলৈ। সকলো বিলাকেই ভাল লাগে অতুলৰ। অতুল ভৰপূৰ ডেকা হয়।

অনেক মানুহ আহে অফিচলৈ আৰু যায়। অফিচৰ কাম বিলাক পৰিপাতিকৈ নিয়মিত ভাবে কৰি যায়। মাজে সময়ে অতি বেচিকৈ কাৰোবাক সহায় কৰিবলগীয়া হলে ওপৰৱালাই বুজাই দিয়ে। অতুলে ভাল পায়। মাহেকৰ মূৰত যেতিয়া দৰমহা পায় অতুলৰ ভাল লাগে। নিজে সকলো খৰছ কৰি আৰু লগতে ভায়েকহঁতলৈ অলপ টকা পইছা দি সহায় কৰি। ইয়াৰ বাহিৰে অতুলৰ ভাবিলগীয়া একো নাই। মাত্ৰ অতুলৰ নিজৰ ভৰপূৰ জীৱনৰ দোধোৰ-মোধোৰত পৰি কেতিয়াবা কেতিয়াবা অকলশৰীয়া যেন অনুভৱ হয়। কিন্তু অতুলে বুজি নেপায়। চকুৰ চাৱনিয়ে জানো কথা কব পাৰে! বুজি নেপায় সংসাৰৰ একো কথা। দিন সদায় একে ধৰণে নেযায়। কালৰ গতিও লৰচৰ হয়।

গাত ধুনীয়া সাজপাৰ আৰু আ-অলঙ্কাৰে সুশোভিত নিজৰ শাহুৱেকক লৈ এক ভদ্ৰ মহিলা আহে অতুলৰ অফিচলৈ। ওপৰৱালাই অতুলক যি লাগে চাইচিতি দিবলৈ কয়। অতুলে দিয়ে। তেওঁলোক মাজে মাজে আহে আৰু যায়। অতুলে যি লাগে দিয়ে। মাজে সময়ে চাহ আদিও খুৱায়। নিশ্চয় কোনোবা ভাল 'ফেমিলি' হব অতুলে ভাবে। আৰু সেইদৰেই দিন বিলাক যায়। অতুলে তেওঁলোকক বৰ ভালমতেই সুবিধা কৰি দিয়ে। মাজে সময়ে তেওঁলোকে অতুলক সোধে—ঘৰ ক'ত—ক'ত থাকে, কিমান টকা পায়। আমাৰ ঘৰলৈ নেযায় কিয়। অতুলে সকলোবোৰৰ উত্তৰ দিয়ে। মাজে সময়ে দুই এজনী ছোৱালী অতুলৰ অফিচলৈ দেখুৱাবলৈ তেখেতে লগত লৈ আহে। অতুলক কয় আৰু অতুলে হঁাহে; একো নকয়।

দিনবোৰ পাৰ হৈ যায়। তেওঁলোক সমানে আহিবলৈ লয়। শাহুৱেক নাহে—অকল ভদ্ৰ মহিলা মিচেচ্ বৰাহে আহে। তেওঁ অতুলক সকলো কথা কৈ যায়। তেওঁৰ নিজৰ সংসাৰৰ কথা অতুলে শুনে আৰু বৰ দুখ পায়। বুজি নেপায় সংসাৰৰ কথা—বুজি নেপায় অন্য কথা। কয় আৰু শুনে। তেওঁৰ চকুৰ চাৱনিৰ কথা বুজি নেপায়। কিছুদিনৰ পিছত আকৌ অন্য এগৰাকী ভদ্ৰ মহিলা আহে অতুলৰ ওচৰলৈ। মিচেচ্ বৰাৰ দৰে তেখেতেও সুবিধা বিচাৰিলে। অতুলে যি পাৰে দিলে। তাৰ পিছ দিনা মিচেচ্ বৰা অহাৰ আগদিনা অহা মহিলা গৰাকীৰ কথা শুধিলে। কি বিচাৰি-ছিল আৰু কিয় অতুলে তেওঁক সহায় কৰিলে। অতুল আচৰিত হয়। পিছত গম পালে দুয়ো মিষ্টাৰ বৰাৰ পত্নী। সেই কাৰণে দুয়ো দুয়োকো দেখিব নোৱাৰে। অতুলৰ তাত ভাবিবলৈ একো নাই। তেওঁলোক আহে আৰু যায়। অতুলে তেওঁলোকৰ কথাত কাণসাৰ নিদিয়ে।

অতুলৰ সুঠাম দেহৰ হেৰফেৰ নাই। কাম কৰে। ঘৰ দুৱাৰ চাফা কৰে। বাৰীখনত সদায় পাচলি লগায়। লাউ পুলিটি ডাঙৰ হয় আৰু লাউবিলাক লাগে। প্লামবোৰ পকে, ৰঙা হয়। নাচপতি জোপাও ভৰপূৰ হয় ডালবোৰ ভাঙো ভাঙো। অতুলৰ ভাল লাগে। অতুলৰ সদায়ে এনে-কুৱা এখন বাৰী পাতিবৰ মন যায়। বাৰীত নিজেই শাক পাচলি কৰি খাবলৈ মন যায়। মন যায় সংসাৰ লগৰী বিচাৰিবলৈ, মন যায় সংসাৰ পাতিবলৈ। তাকে ভাবিচিন্তি অতুলে মাটি কিনে এখন ঘৰ পাতিবলৈ, ঘৰ সাজে। বাৰী পাতে।

তিনিবছৰৰ পাছত হঠাতে অতুলে মিচেচ্‌ বৰাক লগ পায় তেওঁ থকাৰ পৰা অলপ ওচৰতেই তেখেত থাকেহি। অতুলক মাতে। অতুল যায় তেওঁলোকৰ ঘৰলৈ। বহিবলৈ দিয়ে আৰু অতুল বহে। চাহ-তামোল খায়। অতুলৰ কথা বিলাক সোধে। অতুলক ধুনীয়া কিছুমান বস্তু আনিবলৈ কয় —অতুলে আনি দিয়ে। অতুলে নেজানে সেই মিচেচ্‌ বৰাৰ চকুৰ চাৱনিৰ কথা—নেজানে তেওঁৰ অন্তৰৰ কথা। মাত্র ভাবে বেচেৰি নিজৰ লৰা-ছোৱালী এৰি আহি কিয় এনেকৈ জীৱন কটাইছে। মাজে সময়ে তেওঁৰ লৰা-ছোৱালী কেইটাক দেখিলে মৰম কৰে। মৰম কৰি ভাল পায়। তেওঁৰ জীৱনৰ কাহিনী শুনি বৰ দুখ লাগে। সংসাৰৰ প্ৰতি ঘৃণা ভাৱ আছে অতুলৰ। এয়েই নেকি সংসাৰ যত নিজ লৰা-ছোৱালী এৰি আগুলি বাইলি অকলশৰীয়ালৈ জীৱনৰ মাজমজিয়াত ধৰফৰাই ফুৰিব লাগে।

এদিন আবেলি। অতুল মিচেচ্‌ বৰাৰ ঘৰলৈ যায়। মিচেচ্‌ বৰাই বৰ আগ্রহেৰে বহিবলৈ দিয়ে। নিজেই বৰ মৰম কৰি চাহ আনি দিয়ে। অতুলৰ কথাবিলাক সোধে— অতুলে কৈ যায়। মিচেচ্‌ বৰাই'ত তেওঁৰ অন্তৰ ভঙা কথা-বোৰ কৈ যায়। কথাৰ মাজতে মিচেচ্‌ বৰাই আজি দাদাক ঘৰত নোহোৱাৰ কথা কয়। দাদাক আজি গুৱাহাটীলৈ গৈছে। ঘৰত আৰু কোনো নাই। মিচেচ্‌ বৰাই ৰেডিঅ'টো লগাই দিয়ে। লগে লগে ভাহি আহে সুমধুৰ গানৰ সুৰ। অতুলৰ ভাল লাগি যায়। অতুলে এনেয়ে এবাৰ খিৰিকিখনৰ ফালে চাই পঠিয়ায়। অলপ পাছতেই কলা কলা ভাৱৰবোৰ সঘনে লগ লাগে। নিশ্চয় বৰষুণ আহিব মিচেচ্‌ বৰাই কয়।

তেখেত অলপ ভিতৰলৈ যায় আৰু গাত 'ইভিনিং পেৰিচ' লৈ বঢ়িয়াকৈ সাজি কাচি অতুলৰ ওচৰতেই বহে। আকাশত বিজুলী ধেৰেকনি আৰম্ভ হয়। বিজুলী মাৰি আকাশখন পোহৰাই পেলায়। কোঠাটোৰ দাতিত ধুনীয়া ধূপৰ গোন্ধ ওলায়। মিচেচ্ বৰাই তামোল আৰু লগতে মচলা আনি অতুলক দিয়ে। অতুলৰ আগৰ পৰাই তামোল খালে গাল-মুখ ৰঙা হয়। অতুল বহাৰ ওচৰতেই ফুলদানিটোত থকা গোলাপ কেইপাহৰ ৰং আৰু অতুলৰ মুখৰ ৰং বিশেষ কোনো পাৰ্থক্য নেথাকে। ভৰপূৰ জীৱনৰ যৌৱন ভৰা হিয়াৰ এইয়া ওখল-মাখল।

অতুলে এখন 'লাইফ' মেগাজিন পঢ়ি থাকে। তেনেতে মিচেচ্ বৰাই মানে নীলিয়ে অতুলক কয়—"আজি বহুত দিনৰ পাছত আপোনাক এটা কওঁ। জিৰনীয়া মৌ বহুত আহে আৰু যায়। কিন্তু আপনি? আপুনি জানো মোক বিয়া কৰাব।" —তেতিয়া ভীষণ শব্দ কৰি ঘৰৰ অলপ ওচৰতেই বজ্ৰপাত হয়। নতুনকৈ এটি উঠি অহা গছপুলি ফালি ছুফাল হয়। দুয়ো সেইফালে চাই পঠিয়াই। অতুলে মিচেচ্ বৰাৰ ওচৰতে আহি বহে। বিজুলী পৰা অলপ পিছতেই—মিচেচ্ বৰাৰ ঘৰত থকা লাইটৰ তাৰ চিঙি যায়। লাইটটো নুমাই যায়। বাহিৰত তেনেই অন্ধকাৰ। মিচেচ্ বৰাই অতুলক যাবলৈ নিদিয়ে। ৰাতিৰ ভাত সাজ খাবলৈ অনুৰোধ কৰে। অতুলে কোনো আপত্তি নকৰে। নিৰ্ব্বিকাৰ হৈ বহি থাকে।

নানা কথা বতৰাৰ মাজতে মুখৰ হাঁহিভৰা আৰু চকুৰ চাৱনিৰে মিচেচ্ বৰাই অতুলক আদৰ কৰি খুৱায়। ভাত পানী খোৱাৰ পিছত দুয়ো বহি কথাবতৰা পাতে এই সংসাৰ

চলোৱাৰ বিষয়ে। কিমান টকাত, কিমান কম খৰচতে চলিব পাৰি। বাকু কওঁকচোন অতুলে কয়—মই ইমান কম দৰমহাৰে আপোনাক জানো পোহপলি দিব পাৰিম জানো ? চাকৰ-বাকৰ ৰাখি আপোনাক সুখত ৰাখিব পাৰিম জানো ? অতুলে সকলোবোৰ বুজাই কৈ যায়। নীলিয়ে খুব মৰমসনা মাতেৰে কয়,—আপোনাৰ দৰমহাৰে আমি দুয়ো খুব ভালদৰেই চলিব পাৰিম। কোনো দিগদাৰি নহব। মাত্র মই মোৰ দাদাৰ পৰা হাত সাৰিব পাৰিলে হয়।' মিচেচ্ বৰাৰ দাদাক বৰ আচৰিত ধৰণৰ লোক। অতুলৰ এই ফান্দ গম পালে নিশ্চয় তেওঁ অতুলক জেইলৰ চাউল খুৱাব। মিচেচ্ বৰাই অতুলক কয় —"দাদাৰ কোঠাটো বন্ধ আছে। আপুনি আজিলৈ মোৰ বিছনাখনতেই শোৱক।

বাহিৰত তেতিয়া ফেঁচা এটাই 'নিউ নিউ' বুলি মাতে। অতুলে মিচেচ্ বৰাক কয়,—"এই ফেঁচা বিলাকে কিয় জানো এনেকৈ মাতে।

ৰাতিপুৱা শুই উঠি অতুলে লৰালৰিকৈ হাতমুখ ধুই ঘৰলৈ ঔভতে। ঘৰত গৈ ভাত-পানী খাই অফিচ বন্ধ থকাত খাই বৈ শুই পৰে। শুই উঠি যেতিয়া সাৰ পায় তেতিয়া চাৰি বাজিছে। চাহ একাপ খাই উঠি লগৰ বন্ধু এজনক লগত লৈ ফুৰিবলৈ ওলাই যায়। বহু দূৰলৈ গৈ গৈ পাহাৰৰ এটা ওখ টিলাত বহে। দুয়ো দুটা চিগাৰেট জ্বলাই ভাগৰ আঁতৰাব খোজে। 'চোৱা'—অতুলে কৈ যায়—"তোমাক আজি এটা ডাঙৰ কথা কও। তুমি কি ভাবা নেজানো ? এগৰাকীক মই নিজৰ কৰি লব খুজিছো। কিন্তু তেখেতৰ তিনিটা ল'ৰা আছে—নিজেই বৰ আচৰিত হৈছো। কি কৰো ভাবি ভাবি

অন্ত পোৱা নাই ।” অতুলে সকলোবোৰ কথা যাদবক কৈ যায় । যাদবেও সকলোবোৰ শুনি যায় আদিৰ পৰা শেষলৈকে। লাহেকৈ যাদবে কয়,—“অতুল তোমাক মই সৰুৰে পৰা চিনি পাও । তোমাৰ সাহসৰ কথাবিলাক আজিও মনত পৰে। মনত পৰে আজিও ৪২'ৰ জীয়া লুইতত জপিয়াই পৰা । মনত পৰে তোমাৰ খেলা-ধূলা । মনত পৰে আজিও ভৰপূৰ সোঁতত তুমি সাতোৰা । মনত পৰে কতবাৰ তুমি কত মানুহৰ ঘৰত জুই লাগোতে নোমাব যোৱা । মনত পৰে ভৰপূৰ কোবাল সোঁতত উটি যোৱা সেই ছোৱালী দুজনী উদ্ধাৰ কৰা । মনত পৰে ৪২'ৰ সকলো কথা । তোমাৰ সাহসৰ সকলো কথা— সকলো কাম ভালমতেই জানো । আৰু জানো তুমি কৰা উপকাৰৰ কথা । কতবাৰ তুমি অইনৰ উদ্ধাৰৰ পথত বিপদত পৰিছা মোৰ আজিও মনত পৰে । কিন্তু এই কামটো যে হাতত লৈছা ই অতি আচৰিত অতি আচৰিত । সাৱধান —সকলো ভাবিচিন্তি চোৱা । জীয়া জুইত জাপ নে-মাৰিবা । সমাজ আছে । সমাজৰ ওচৰত হাঁহিৰ পাত্ৰ নহবা । ঘৰৰ সকলোৱে তোমাক বাদ দিব,—লগৰীয়াই লগ নিদিব । বিপদ আহিব অতুল সাৱধান ।” সন্ধ্যা প্ৰায় লাগো লাগো । পাহাৰৰ এজোপা গছৰ পৰা এটা হুদুৱে মাতে ।

আন্ধাৰ নামি আহে । দুয়ো দুটা চুৰত জ্বলাই লাহে লাহে নামি আহে পাহাৰৰ ওপৰৰ পৰা । বহুদূৰ বাট । কথা পাতি দুয়ো আহি থাকে । অতুলে ঘৰলৈ গৈ ভাত দুটামান খাই বিছনাত পৰে । নানা ধৰণৰ ভাব-চিন্তাই খেলি-মেলি লগাই । কোনো ভাৱনাৰ পাৰ নেপায় । বহুত কিতাপ

আনি পঢ়ে কিন্তু তেনে ধৰণৰ উদাহৰণ পোৱা খুব কঠিন যেন অনুমান হয়। তাতে আকৌ নীলিৰ ককায়েক ৰৰ একাচেকা লোক। হঠাতে অতুলৰ মাকলৈ মনত পৰে। দুচকুৰ চকুৰ পানী আহি গাৰুত পৰে। বহুত পৰৰ মূৰত অতুল শুই পৰে।

ৰাতিপুৱা শুই উঠিয়েই অতুলে লৰালৰিকৈ চাহটোপা খাই অফিচলৈ লৰ মাৰে। আকৌ ১১টা বজাত অফিচৰ পৰা আহি নীলিক লগ ধৰি সকলো বুজাই কয়। কিন্তু কোনো ফল নধৰে। নীলিয়ে মাত্র কয়,—"আপুনি কোনো ভয় নকৰিব। মই সকলো কাম ঠিকমতে কৰি যাম। মাত্র আপুনি মোৰ কথামতে চলিব।" অতুলৰ ভয় হয় জীৱন মৰণৰ সমস্যা লৈ অতুলে আগবাঢ়ে। দিনবোৰ আদি সকলো ঠিক কৰে।

অতুলে সকলো ঠিক কৰি টেক্সী এখন ভাৰা কৰি লৈ আহে। লগত কোনো নাই। ড্ৰাইভাৰটোৱে সোধে—কলৈ যাব। অতুলে নিৰ্দ্দিষ্ট ঠাইৰ কথা কয়। সেইমতে টেক্সী গৈ মিচেচ বৰাৰ ককায়েকৰ ঘৰৰ আগত ৰয়। টেক্সীৰ শব্দ পাইয়ে মিচেচ্ বৰা ওলাই আহে। অতুলে মিচেচ্ বৰাৰ কাপোৰ আদি গাড়ীত ভৰাই দিয়ে। —যাওঁ বুলি মিচেচ্ বৰাৰ মাত লগাবলৈ কোনো নাইয়েই। আছে মাত্র দুজনী কাম কৰা ছোৱালী। ছোৱালী দুজনীৰ হাতত চিঠি এখন দাদাক আহিলে দিবলৈ কৈ মিচেচ্ বৰা গাড়ীত উঠিল। মিচেচ্ বৰাই গাড়ীখন বাইদেউকৰ ঘৰলৈ নিবলৈ কলে। সেইমতে টেক্সী মিচেচ্ বৰাৰ বাইদেউকৰ ঘৰ পায় গৈ দূৰ বেছি নহয়। বায়েক আৰু ভিনীহদেউক নীলিক অতুলৰ লগত দেখি আচৰিত

হল। আজি কিয় এনে ধৰণে আহি ওলালহি ভাবি আচৰিত হল। কিন্তু নীলিয়ে যেতিয়া সকলোবোৰ কথা কলে—ভিনীহীদেৱেকে লাহেকৈ কলে--অতুলৰ পিনে চাই, "তেনেই চফল সৰু লৰা বেচেৰা।" তাৰ পিছত অতুলৰ মূৰৰ পৰা ভৰিলৈকে চালে। দুয়ো তাত চাহ-তামোল খাই টেক্সীত উঠি ড্ৰাইভাৰক 'হিন্দু মিচন' বুলি কলে। দুয়ো গল। কিন্তু এনে এটা কাম কৰাত 'হিন্দু মিচনৰ' গৰাকীয়ে সন্মত নকৰে। অতুলে কত বুজাই ধৰাই কলে—কিন্তু সন্মত নহল। সন্মত হিন্দুমতে বিবাহ দিবলৈ। অতুলৰ যাদবৰ কথালৈ মনত পৰি গল। কি হব! তাৰ পিছত নগৰত আগতে ঠিক কৰা এটা ঘৰত দুয়ো সোমাল। ঘৰটোত একো নাই মাত্ৰ ভাৰা কৰি লৈছিল। নাই তাত ঘৰৰ আগত কলহত ভৰপূৰ পানী। নাই তাত দুৱাৰ দলিত আম পাতেৰে সজ্জিত ঘট। নাই তাত আইদেউ সকলৰ উৰুলি কাকুলী। শুদা ঘৰ। দুয়ো নামি ড্ৰাইভাৰটোক ভাৰাখিনি দি বিদায় দিলে। অতুল ঘৰ ঠিক কৰাত লাগি গ'ল। কিন্তু মাজে মাজে মনলৈ ভাব আহে কিজানিবা কিবা অঘটন ঘটে। ঘৰ ঠিক কৰাত নীলিয়ে সহায় কৰে। পিছত ভাত পানী ৰান্ধি দুয়ো খাই যেতিয়া অলপ বিচনাত শোৱে তেতিয়া ক্লান্তি অনুভৱ কৰে। দুয়োৰো হিয়া ভৰা বেদনাবোৰ ব্যাক্ত কৰে। নীলিয়ে অতীতৰ সকলোবোৰ কথা অতুলক কৈ যায়। অতুলে সকলো কথা একান্ত মনেৰে শুনি যায়। ৰাতি প্ৰায় ১২টা মান বাজে। ঠাইখন বৰ হাবিময়। চাৰিও ফালে ডাঙৰ ডাঙৰ গছগছনিৰে ভৰপূৰ। মূঠৰ ওপৰত এখন জয়াল ঠাই। ওচৰৰ মানুহ বিলাকো অচিনাকি। মাত্ৰ আবেলি দুয়ো আহি সোমাইছেহি। মাজতে

নীলিয়ে অতুলক সোধে—কিহৰ কাৰণে তেওঁ অতুলৰ লগত আহিছে। অতুলে নিৰৱে শুনি যায় আৰু হাঁহে। বৰষুণ জাক আহে। ঠাণ্ডা ঠাণ্ডা অনুভৱ হয়। দুয়ো লেপখন ভালদৰে জাপি লয়। নিশা নিৰৱ হয়।

বাহিৰৰ দুৱাৰত টকটকনি পৰেহি। অতুলে উঠি যাব খোজে। নীলিয়ে হাক দিয়ে—"অতুল তুমি নেযাবা। ময়েই যাওঁ। নীলিয়ে ভিতৰৰ পৰাই সোধে—কোন আহিছে, কি লাগে, কাক বিচাৰিছে। বাহিৰৰ পৰা উত্তৰ আহে—"দৰজা খোল ডিজিয়ে, হামলোক পুলিচ হ্যায়।" অতুলে বিছনাৰ পৰাই সকলো গম পায়। উপকাৰীৰ পুৰস্কাৰ মোৰ দুৱাৰত উপস্থিত। অতুলে ভয় কৰা নাই। জীৱনত যদি কাৰোবাক অন্যায় কৰিছো নিশ্চয় তাৰ বাবে আজি ফলভোগ কৰিম আৰু যদি কিবা উচিত কাম কৰিছো নিশ্চয় তাৰ পুৰস্কাৰ পাম। বুত জোতাৰ শব্দ আৰু দৰজা খুলি দিয়াৰ লগে লগে দুই তিনিজন পুলিচ আৰু দুজন পুলিচ অফিচাৰ লৈ নীলিৰ ককায়েক সোমাই আহে। অতুলৰ ভাবিবলৈ একো নাই। অতুলে জানে ইয়াৰ মানে কি। নীলিৰ ককায়েকে অতুললৈ চাই কয়—"অতুল তুমি বৰ সাংঘাতিক কাম কৰিছা যি হব লগা আছিল—সি হৈ গল। একে ৰাতিতে ৰামায়ণ অশুদ্ধ হব নোৱাৰে। লগে লগে নীলিলৈ চাই কয়—তই ওলা—নীলি আমাৰ লগত। লগত কাপোৰকানিবোৰ লৈ বল। নীলিয়ে এবাৰ অতুলৰ ফালে চায় আৰু এবাৰ ককায়েকৰ ফালে চায়। অতুলে বিপদলৈ ভয় নকৰে। অতুল মেজ এখনৰ কাষত ঠিয় দি থাকে। চাৰিও ফালে পুলিচ। দাদাকে ভালদৰে বাৰে বাৰে কয় ওলাবলৈ। পুলিচ অফিচাৰ কিজনে ভালদৰে

বুজাই কয়,—অতুলে শুনি থাকে। বাহিৰত বৰষুণৰ টোপাল-বোৰ বৰ ডাঙৰ ডাঙৰ হৈ পৰে। মাজে মাজে মেঘৰ শব্দ-বোৰও ডাঙৰ শব্দ কৰি উঠে। এটা সময়ত বৰষুণ এৰে। চিপাহী আৰু পুলিচ অফিচাৰ কেইজনে লাহে লাহে গৈ গাড়ীত উঠিল। লগত অহা সকলোবোৰেই গাড়ীত উঠিল। মাত্ৰ দাদাকে নীলিক কৈ গল—তই এই মানুহটোৰ লগত কেতিয়াও এক হব নোৱাৰ, এটা প্ৰলোভনত তোক লৈ আহিছে। তাৰ লোভ পূৰা হলে তোৰ এই মই কোৱা কথাষাৰ লৈ মনত পৰিব। মই যাও। দাদাক গুছি যায় গৈ। মিচেচ্ বৰাই দুৱাৰখন বন্ধ কৰি দি বিছনাত পৰিল। অতুলে হাঁহিলে। ভগবানৰ ওচৰত প্ৰাৰ্থনা কৰিলে—"হে ভগবান অনেকবাৰ তুমি বিপদৰ পৰা ৰক্ষা কৰিছা – আজিও ৰক্ষা কৰিলা। তোমাক মই শতবাৰ প্ৰণাম বুলি বেৰত অৰা শ্ৰীকৃষ্ণৰ ফটোখনত ধূপৰ পেকটটো খুলি দুডাল মান জ্বলাই দি সেৱা কৰিলে।

দিনবিলাক পাৰ হৈ যায় কালৰ সোঁতত ভালদৰেই। অচিন ঠাই, অচিন মানুহ। মানুহৰ লগত অতুল মিলি যায়। অতুলে সকলো সুখ পায়—মাত্ৰ নেপায় এটি সমাজ। ভয় পায় কৰবাত কেতিয়াবা কৰবাত কোনোবাই বেয়া ব্যৱহাৰ কৰিব বুলি। ভয় পায় অনাহকত লাজ পায় বুলি।

এইদৰেই দিনবোৰ গৈ থাকে। কোনোবা এটি শুভ-লগনত অতুলৰ এটি পুত্ৰ জন্ম হয়। বৰ আনন্দৰ হৈ উঠে সংসাৰখন। নাম ৰাখে বিমল। লাহে লাহে বিমল ডাঙৰ হয়। এতিয়া বহু সমস্যাই অতুলৰ আগত দেখা দিয়ে। অতুলে ভাল পায় এই সমস্যাবোৰত আগবাঢ়ি যাবলৈ। ভাল পায় সংসাৰৰ লেঠাবোৰ। লগৰ বন্ধুবোৰে অতুলৰ বাধা-

বিঘিনীবোৰ মন কৰে। মন কৰে অতুলৰ কামবোৰ। কাক কব কোনে পতিয়াব। অতুলৰো বিপদ আছে। বিপদবোৰ পাৰ হৈ যায়। বিপদত ধৈৰ্য্য ধৰাই অতুলৰ জীৱনৰ মূল উদ্দেশ্য।

প্ৰায় দুবছৰ মূৰত অতুলৰ দ্বিতীয় পুত্ৰ অমলৰ জন্ম হয়। লাহে লাহে অতুল ঘোৰ সংসাৰি হৈ উঠে। লৰা দুটি লৈ অতুলে ভৱিষ্যতৰ কল্পনা কৰে। ভালপায় জীৱনৰ মূল। ভাল পায় সিহঁতক ডাঙৰ-দীঘল কৰা পথত আগবাঢ়িবলৈ নীলিয়ে কয় অতুলক—"তোমাৰ আৰু বাহিৰা খৰছবোৰ এৰা। এৰা, অতুলে ভাবে মইনো কি বাহিৰা খৰছ কৰিছো।" যেতিয়া বন্ধু-বান্ধব পাওঁ একে লগে নানা ঠাইত বৰষি আদি বাবলৈ যাওঁ। তুমি দেখোন মোতকৈ এখোপ চৰাহে। মই নেযাওঁ বুলিলেও আগতে ওলোৱা। মনত নপৰে নে যোৱা বছৰৰ কথা। প্ৰথম দিনা গলা, মাছ সৰহকৈ পোৱাত দ্বিতীয় দিনা আকৌ যাবলৈ তত নাইকীয়া হ'ল আৰু ফলত ৰাতি আহি ডাক্তৰ মতামাতি লাগিল। তাৰ পিছতো কত খৰছ হ'ল।

শেষত অতুলে নীলিৰ কথাই শুনে আৰু সেই মতেই কাম কৰে। নিজৰ ঘৰখন ভাল কৰে। বাৰীখন পাতে। বাৰীত নানা ৰকমৰ শাক-পাচলি লগাই। ঘৰৰ ওচৰত জাচমিনৰ পুলিবোৰ ৰোৱে। জাচমিন কেইজোপা ডাঙৰ হৈ আছে। গোলাপ বিলাক ফুলিবলৈ ধৰে। জাচমিন জোপা ফুলে। জাচমিনৰ সুগন্ধি গোন্ধত ঘৰখন মলমলাই। নীলিয়ে ভাল পায় অতুলে ঘৰখন পতা দেখি। বাৰীখন ভাল লাগি আছে। কবিবোৰ ডাঙৰ হৈ আছে। বিনবোৰ ৰঙা হৈ

আছে। বিমল আৰু অমলে ভাল পায়। সিহঁতে সোধে—"পাপা— তুমি ক'ত এইবোৰ ৰুবলৈ শিকিলা।" অতুলে কয়—"মই সৰুতে শিকিছিলো—এই বিলাক ৰুবলৈ। মই বৰ ভাল পাওঁ এইবোৰ ৰুবলৈ।

নীলিৰ ভাল লাগে নতুনকৈ সংসাৰখন গঢ়ি উঠাত। দ্বিতীয় সংসাৰখন নীলিৰ আচৰিত ধৰণে ভাল লাগে। এদিন নীলিয়ে অতুলক কয়—"মই হস্পিতালত গলেই ভাল অতুল। মোৰ গা ভাল নহয়। অতুলে বুজি পায় যে নীলি বৰ্ত্তমান তৃতীয় সন্তানৰ মাক হব ওলাইছে। অতুলৰ তৃতীয় পুত্ৰ জন্ম হয়। বাৰীখন ভৰপূৰ হয়। শাক-পাচলিবোৰ চালে চকুৰোৱা হয়। অতুলৰ ভাল লাগে। তিনিওটি ল'ৰা ডাঙৰ হৈ আছে। বিমল আৰু অমল দুয়ো স্কুললৈ যায়। বাৰীৰ প্লামবোৰ পকে। অনেক বিপদ ধুমুহাৰ পৰা অতুল আৰু নীলিয়ে ঘৰখন তুলি আনিছে। ভাল লাগে দুয়োৰো।

এদিন নীলিৰ সমন্ধিয়া ভাগিনীয়েক এজনী আছে। নীলিৰ তাতেই থাকিলহি। কথাবতৰাবোৰ মৰম লগা। ভাল লাগে। নীলিক সৰুৰে পৰা তেওঁ মৰম কৰে। মৰম কৰে নীলিৰ ল'ৰা কেইটাক। অতুলৰ ভাল লাগে। অতুলে ভাল পায় তেওঁৰ শান্তশিষ্ট কথাবতৰাবোৰ। সময়ে সময়ে নীলিৰ লগত ৰন্ধাবঢ়া কৰে। নীলিক নানা কামত সহায় কৰি দিয়ে। কিন্তু তেওঁৰ চকুৰ চাৰনিৰে এটি অদ্ভুত সপোনৰ কথা কবলৈ বিচাৰে ভাবিলে অতুলৰ আচৰিত লাগে।

ভয় লাগে অতুলৰ সেই উদ্ভুত চাৰনিৰ আখাৰৰ ফল। নীলিক কয়—"যিমান সোণকালে পাৰা তেখেতক এটি সুবিধা কৰি পঠাই দিয়া। নীলিয়ে কিন্তু অতুলক ভূল হৈছে

বুলি কয়,” কেতিয়াও তেওঁ তেনেধৰণৰ হব নোৱাৰে। তেওঁ বহুত পঢ়াশুনা জনা, বহুত ঠাইত তেওঁ ফুৰিছে, তেওঁ বহুত জানে। তোমালোকৰ নিচিনা নাৰ্ভাচ হোৱা বিধৰ মানুহ নহয় জানিবা।” প্লামবোৰ বতাহত সৰিবলৈ ধৰে। চয়াকিন বিলাকেও বতাহত সৰিবলৈ ধৰে। অতুলে বুজে ধুমুহা আহিব আকৌ।

অতুল বাৰীত কাম কৰি থাকে। নীলিৰ ভাগিনীয়েক আহি লাহেকৈ কয়—“ভিনীহিদেউ আহক, চাহ দিছো।” অতুলে আহি চাহৰ কাপটো তুলি লয়। কিন্তু এক অদ্ভুত চাৱনিৰে তেওঁ অতুললৈ চাই থাকে। অতুলৰ খং উঠে, আচৰিত হৈ যায় সেই চাৱনি দেখি। অতুলৰ ঘিণ লাগে। অতুলৰ ভবা কথাবিলাক কি ঠিকতে পৰিণত কৰিব এই চাৱনিয়ে। অতুলে নিজকে নিজে সাৱধান কৰে। টকাৰ যি লোভ দেখুৱাইছে, যিবোৰ কথা অতুলৰ আগত কৈছে সেই সকলৰ ধুমুহাৰ আগজাননী পাইছে যেন অতুলে। অতুলৰ যাদবৰ কথালৈ মনত পৰে। “অতুল সাৱধান—ইয়াৰ পৰা বহুত বিপদ আহিব।” অতুলৰ সেই চাৱনিৰ ওপৰত ঘৃণা ওপজে খং উঠে। বিপদ অকলে নাহে অতুলে বুজে। ভাগিনীয়েকে নীলিক কয়,—“মাহীদেউ আপুনি এই মানুহ-জনৰ লগত নেথাকিব। এওঁ বৰ বেয়া মানুহ। চকচোন—বজাৰ আদিৰ খৰছ আদি বৰকৈ নিদিয়ে। মোৰ এল্‌চিচিয়ান কুকুৰটোৰে খাবলৈ নেপাই কেনেকৈ শুকাই ক্ষীনাই গৈছে। তাক প্ৰতিদিনে মাংস লাগে। কিমান দিন সি মাংস খাবলৈ পোৱা নাই। মাত্ৰ গাখীৰ আৰু ভাত আদি খাইয়ে থাকিব নোৱাৰে। নহয় মাহীদেউ, আমি যাওঁগৈ বলক।” নানা প্ৰলোভন দেখুৱাই নীলিক ফুচুলাই বহুতো কথা লগায়।

নীলিয়েও ভাগিনীয়েকৰ কথামতেই হয় ভৰ দি কয়। "তুমি ঠিকেই কৈছা। মই ইমান কষ্টত থাকিব নোৱাৰো। ল'ৰা কেইটাক হয়তো মই কোনো ভাল মিচনত থব পাৰিম। আৰু মই ভালদৰেই দিন কটাব পাৰিম।" দুয়ো এই বিষয়ে বহুত ধৰণৰ কথা আলোচনা কৰে। অতুলে গম পায় এই সকলোবোৰ কথা। আচৰিত হয়, অতুলে খণ্ডত কিংকৰ্ত্তব্যবিমূঢ় হৈ পৰে। ভাবি একো উপায় বিচাৰি নেপায়। সংসাৰ চাৰখাৰ হৈ যাও যাও—এনেতে কেনেবাকৈ এল্‌চিচিয়ান কুকুৰটো খোল খাই বাৰীত কাম কৰি থকা অৱস্থাতেই অতুলক কামুৰি ধৰেহি। অতুলৰ ভৰিৰ ঠিক আঁঠুৰ তলতে কামুৰি দাঁতেৰে মঙহ চিঙি লৈ যায়। ভৰিৰ পৰা ৰঙা তেজবোৰ আহি কবিৰ পুলি বিলাকত পৰি ৰঙা হৈ যায়। দৌৰি আহি এডাল মাৰিৰে কুকুৰটোক যেতিয়া মাৰিম বুলি আহে কুকুৰটোৱে আকৌ বেয়া ধৰণে কামুৰি ধৰিলে আঁঠুৰ ওপৰতে। গোটেই ঘৰখন হুলস্থুল লাগি যায়। ভাগিনীয়েকে নীলিক কয়—"মাহীদেউ আহক ওলাই, আমি যাওঁ। আমি আৰু এক মুহুৰ্ত্তও ইয়াত দেৰী নকৰো। লৰা-লৰিকৈ টেক্সী এখন মাতি আনিলে। দুয়ো যাবলৈ সাজু হল। ল'ৰা কেইটাক কাপোৰকানি পিন্ধাই দি নীলিয়ে কলে,—জীৱনত সকলো সহ্য কৰি আহিছো। কিন্তু তোমাৰ অত্যাচাৰ আৰু সহ্য কৰিব নোৱাৰো। আজি সহ্যৰ সীমা চেৰাই গৈছে। আমি যাওঁ।" এইবুলি লৰা কেইটাৰে সৈতে নীলিয়ে গাড়ীত উঠিল গৈ। অতুলৰ ভৰিৰ পৰা তেজবিলাক বেছিকৈ ওলাব ধৰিলে। কাম কৰি থকা পেন্টটো তেজেৰে ৰঙা হৈ যায়। যাদবৰ কথা মনত পৰে। ভাগিনীয়েকৰ কথাবিলাক মনত পৰে। সংসাৰ ভাগি যাও

যাও অৱস্থা। চকুৰ আগতে সমুদ্ৰৰ প্ৰবল ঢৌ উঠে। সকলো ফালে অন্ধকাৰ দেখে। কোন আছে এই মহাবিপদৰ গুৰি ধৰোতা, কোনে আজি বচাব এই সংসাৰ। ড্ৰাইভাৰটোৱে চিঞৰিব ধৰেছে,—"আপোনালোক সোণকালে আহক, দেৰি হৈছে।" নীলিৰ ওপৰত অতুলৰ ভীষণ খং উঠে। নানা কথা কবলৈ ধৰে, অতুলে ধৈৰ্য্য হেৰুৱাই পেলায়। নীলি যাবলৈ ওলায় ভাগিনীয়েকৰ লগত।

কিন্তু চক খাই উঠে সেই মধুৰ চাৱনিৰে লৱনী মুখেৰে সেই ৰূপৱতীৰ কথা মনত পৰি। যাৰ চকুৰ চাৱনিৰে এক মধুৰ সংসাৰত মোহিত কৰি ৰাখিছে এই সংসাৰ খনত। যি চাৱনিৰ মধুময় ভগবানৰ সৃষ্টিৰ এক অভিনব পাতনি। যি চাৱনিয়ে বনৰ হৰিনাক তথা লগাব পাৰে। কি মধুৰ চাৱনি সেই চন্দময় চাৱনিয়ে দিঠকতে কয়হি—অতুল ভুল নকৰিবা, বৈ যোৱা আৰু বহুত দিন আছে। তুমি চকুৰ চাৱনি চাবলৈ যোৱা অতুল। নেভাঙিবা সুখৰ সংসাৰ বৈ যোৱা। দিঠক নে সপোন ধৰিব নোৱাৰে। লৰালৰিকৈ লৰা কেইটা আৰু নীলিৰ বাকচ কেইটা টেক্সীৰ পৰা লৈ আহে। নীলিয়ে খুব খঙেৰে কয়—মই নেযাওঁ, কোনো মতেই নেযাওঁ। সেইবোৰলৈ কাণ নকৰি টেক্সীয়ে নীলিক লৈ আহে। ভাগিনিয়েক টেক্সীত উঠি যায় আৰু অতুলক কৈ যায় মই ইয়াৰ প্ৰতিফল দিম।

ঘৰত থকা শ্ৰীকৃষ্ণৰ ফটোখনৰ ওপৰত মালা এডাল ভালকৈ দি ধূপ-ধূনা জ্বলাই ভগবানৰ ওচৰত প্ৰাৰ্থনা কৰিলে —"বিপদৰ সময়ত তুমি ৰক্ষা কৰা প্ৰভু।"

ৰাতি বহুত হল। লৰা কেইটা ভালকৈ শুৱাই নীলিয়েও শুলে। অতুলেও ডাক্তৰৰ পৰা ইনজেকচন লৈ আহি বৰ ক্লান্ত

হৈ শুই পৰিল। মাজনিশা সপোনত দেখিলে সেই ৰূপৱতী আহিছে। লাহেকৈ অতুলক মাতিলে—"অতুল কি কৰিছা।" অতুলে প্ৰথমতে তেওঁৰ চকু দুটি চালে। কি মৰম সনা, কি সুন্দৰ, কি আনন্দময়। হৰিনাৰ চকুৰ চাৱনিতকৈ শতগুণে ভাল। মধুৰ ৰূপৱতীৰ ৰাশিবিলাক জ্বলি আছে। অজান পথিকৰ কথা কব পাৰে চকু দুটিয়ে। সেই চাৱনিয়ে মৃত্যুকো জয় কৰিব পাৰে। অন্ধবৎ মধুৰ চাৱনি সেই ৰূপৱতীৰ। অতুলে চাই থাকিল তথা লাগি। অতুললৈ চাই পুনৰ কলে— "অতুল ভুল নকৰিবা, মোক সদায় পাবা।" অতুলে চকা-মকা-কৈ সাৰ পালে। নীলিক কলে,—"নীলি পানী এগিলাচ দিয়া খুব পিয়াহ লাগিছে—খুব পিয়াহ !!"